3 (Sem–3) ASM MIL (O)

# 2021

( Held in 2022 )

## ASSAMESE

( Modern Indian Language )

( অসমীয়া নাটক )

( Non-CBCS )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) 'চিহ্নযাত্ৰা' কাৰ ৰচনা ?

(খ) অৰিষ্ট কোন আছিল ?

(গ) 'কালিয় দমন' নাটৰ নাগ চৰিত্ৰটি কিহৰ প্ৰতীক ?

(ঘ) ভাবিৰামৰ মাকৰ নাম কি ?

(ঙ) ভাবিৰামে ক'লৈ যাবলৈ কোট-পটলুন ধাৰে আনিছিল ?

(চ) 'মহৰী' নাটকৰ মহৰীজনৰ নাম কি ?

(ছ) বদৰ কোন ঠাইৰ প্ৰজা আছিল?

(জ) লছমী কাৰ জীয়েক?

(ঝ) বিজুলীৰ দেউতাকে কলেজত কি চাকৰী কৰিছিল?

(ঞ) 'এজাক জোনাকীৰ জিলমিল' নাটকখন কোন চনত ৰচনা কৰা হৈছিল?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে 'কালিয় দমন' নাটখন ৰচনা কৰোঁতে আধাৰ হিচাপে লোৱা দুখন গ্ৰন্থৰ নাম লিখা।

(খ) ৰূপাই দাধৰা কোন? তেওঁ আজান ফকিৰক কাৰ চোৰাংচোৱা বুলি স্বৰ্গদেউ ৰুদ্ৰসিংহক গোচৰ দিছিল?

(গ) ''তোমাৰ বাপৰ দিনত কেতিয়াবা এনেকুৱা বাগিছা দেকিছিলে? তুমি কোন নবাবকে বেটা আছে?'' কথাষাৰ কোনে, কাক কৈছিল?

(ঘ) ''যুদ্ধত লাগি থাকোঁতে অভ্যাস হৈ গৈছে, য'তে থাকোঁ ত'তে অন্ততঃ দুটা ৰাস্তা মুকলি ৰাখিব লাগে।'' সংলাপটিৰ বক্তা কোন আৰু শ্ৰোতা কোন?

(ঙ) বুৰঞ্জীমূলক নাটকৰ দুটা বিশেষত্ব লিখা।

৩। (ক) অংকীয়া নাটৰ সূত্ৰধাৰ চৰিত্ৰটোৰ বিষয়ে লিখা। ৫

*অথবা*

(খ) অংকীয়া নাটৰ ভাষাৰ বিষয়ে লিখা।





৪। (ক) 'কালিয় দমন' নাটত থকা মুখ্য ঘটনা দুটাৰ আভাস দিয়া। ৫

*অথবা*

(খ) 'কালিয় দমন' নাটত কৃষ্ণৰ ঐশ্বৰিকত্ব কেনেদৰে প্ৰকাশ পাইছে, লিখা।

৫। 'মাকবী মেম' *অথবা* 'ভাবীৰাম'ৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে লিখা। ৫

৬। (ক) ''ফকিৰে বহিবলৈ পাই শুবলৈ বিচাৰিছে, ভাত খাবলৈ পাই আঙুলি কামুৰিছে নেকি?'' কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা। ৫

*অথবা*

(খ) ''মিছাৰ আলি, ফুট ছাইৰ দৰে, ছাইৰ আলি বান্ধি কি কৈ বগাবি, বৰষুণৰ টোপালত ভাগে।'' বুলি আজান ফকীৰে কিয় ক'বলগীয়া হৈছিল?

৭। (ক) 'কালিয় দমন' নাটত প্ৰকাশ পোৱা যশোদাৰ পুত্ৰস্নেহ আৰু গোপীসকলৰ কৃষ্ণপ্ৰেমৰ বিষয়ে লিখি তাৰ মাজত ভক্তিৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰা।

৩+৩+৪=১০

*অথবা*

(খ) 'কালিয় দমন' নাটখনৰ মাধ্যমেৰে শংকৰদেৱৰ নাট্য-প্ৰতিভা বিচাৰ কৰা। ১০

৮। (ক) ধেমেলীয়া নাটকৰ বিশেষত্ববোৰ 'মহৰী' নাটকত কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'মহৰী' নাটকৰ মহৰী চৰিত্ৰটোৰ মাজেৰে সমাজৰ সুবিধাবাদী শ্ৰেণীটোৰ স্বৰূপ কিদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰা।

৯। (ক) 'এজাক জোনাকীৰ জিলমিল'ত সন্ত্ৰাসবাদীৰ চৰিত্ৰ কেনেদৰে ৰূপায়িত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) সামাজিক নাটক হিচাপে 'এজাক জোনাকীৰ জিলমিল' নামৰ নাটকখনৰ বিচাৰ কৰা।

১০। (ক) অসমীয়া নাটকৰ ক্ৰমবিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) 'শৰাগুৰি চাপৰি' নাটকখনৰ কাহিনীভাগৰ লগত অসম বুৰঞ্জীৰ ঘটনাপ্ৰৱাহৰ কিমান মিল আছে, বিচাৰ কৰা।

★★★